জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

65 । ৬১ বছৰ । ৩৩৬ সংখ্যা, ৩০ আহাৰ, বুধবাৰ, ১৯৪৮ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 336 । DIBRUGARH, WEDNESDAY, JULY 15, 2026 । পৃষ্ঠা ১৬ (Pages

### বৃটেইনত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰক লৈ উৎফুল্লিত ৰাজ্যবাসী

## সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীক কানৈ কলেজৰ অভিনন্দন

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৪ জুলাই ঃ** 'গছৰ উচ্চতা তাৰ শিপাৰ গভীৰতাত নিৰ্ভৰ কৰে, জাতিৰ মহত্ত্ব নিৰ্ভৰ কৰে তাৰ সংস্কৃতিৰ গভীৰতাত। যি সংস্কৃতিয়ে নিজৰ শিপাক সজীৱ কৰি ৰাখি বিশ্বৰ বুকুত আত্মপ্ৰকাশ কৰে, সেই সংস্কৃতিয়েই যুগৰ সীমনা অতিক্ৰম কৰি চিৰন্তন হৈ থাকে।'—এই মহান আদৰ্শক সন্মুখত ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে (স্বায়ত্তশাসিত) বিশিষ্ট আধ্যাত্মিক গুৰু, মাজুলীৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ, আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীক অভিনন্দন আৰু গভীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীশ্ৰী আউনীআটী সত্ৰত সত্ৰাধিকাৰগৰাকীক ১১ জুলাইৰ নিশা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এখন অভিনন্দন-পত্ৰ প্ৰদান কৰি উল্লেখ কৰে যে এখন নদী নিজৰ পানীৰ বাবে মহান নহয়, সি মহান হয় যেতিয়া দুয়ো কাষৰ জনজীৱনক সজীৱ কৰি তোলে। তেনেদৰে এজন আধ্যাত্মিক নেতাৰ মহত্ত্ব তেওঁৰ পদবীত নহয়, তেওঁৰ চিন্তা, দৰ্শন, দৃষ্টিভংগী, মূল্যবোধ আৰু সমাজক আগুৱাই নিয়াৰ শক্তিত নিহিত থাকে। সত্ৰাধিকাৰগৰাকীৰ দূৰদৰ্শী নেতৃত্বক ভূয়সী প্ৰশংসা কৰে তেওঁ। আজিৰ বিশ্বায়নৰ যুগত বহু মূল্যৱান সাংস্কৃতিক ঐতিহ্য ক্ৰমাৎ বিলুপ্তিৰ সন্মুখীন হৈ থকাৰ সময়ত সত্ৰাধিকাৰ ডঃ গোস্বামীৰ দৰে দূৰদৰ্শী নেতৃত্বই অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক সম্পদক নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াৰ লগতে বিশ্ববাসীৰ আগতো ইয়াৰ সুকীয়া মৰ্যাদা প্ৰতিষ্ঠা কৰাৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই পদক্ষেপে কেৱল সত্ৰীয়া পৰম্পৰাকেই সমৃদ্ধ কৰা নাই, বৰঞ্চ অসমীয়াৰ আত্মপৰিচয়, ঐতিহ্য আৰু সাংস্কৃতিক স্বাভিমানকো অধিক সুদৃঢ় কৰিছে। সেয়েহে সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰ কেৱল এটা অনুষ্ঠান বা প্ৰতিষ্ঠানৰ দায়িত্ব নহয়, ই সমগ্ৰ সমাজৰ এক নৈতিক দায়বদ্ধতা। শেহতীয়াকৈ সত্ৰাধিকাৰ ডঃ গোস্বামীৰ বৃটিছ সংসদত অসমৰ সাংস্কৃতিক সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত লোৱা পদক্ষেপ, বৃন্দাবনী বস্ত্ৰ নিজ চকুৰে দৰ্শন কৰাৰ যোগেদি লাভ কৰা অভিজ্ঞতাই অসমীয়া সংস্কৃতিক উজলাই তোলা কাৰ্যই অসমৰ যুৱ প্ৰজন্মক নিজৰ ইতিহাস, ঐতিহ্য, ভাষা আৰু সাংস্কৃতিক শিপাৰ সৈতে অধিক নিবিড়ভাৱে জড়িত হ'বলৈ অনুপ্ৰাণিত কৰিব বুলি অভিনন্দন-পত্ৰত আশা প্ৰকাশ কৰে। সত্ৰাধিকাৰগৰাকীৰ ভৱিষ্যৎ জীৱন দীপশিখাৰ দৰে প্ৰজ্বলিত হওক, যি নিজে জ্বলি আনক আলোকিত কৰে, তেওঁৰ কৰ্ম হওক ব্ৰহ্মপুত্ৰৰ দৰে— যি যুগে যুগে সভ্যতা, সংস্কৃতি আৰু জীৱনক পুষ্টি যোগায়, আদৰ্শ হওক ধ্ৰুৱতৰাৰ দৰে— যি অনাগত প্ৰজন্মক সঠিক পথৰ দিশ-নিৰ্দেশ দিয়ে। তেওঁৰ নেতৃত্বত সত্ৰীয়া সংস্কৃতি বিশ্বমানৱৰ হৃদয়ত অধিক সমাদৃত হওক, অসমৰ সাংস্কৃতিক গৌৰৱ অধিক ঔজ্জ্বল্য লাভ কৰক আৰু মহাপুৰুষীয়া বৈষ্ণৱ দৰ্শনৰ মানৱ কল্যাণৰ বাণী বিশ্বৰ প্ৰতিটো কোণলৈ বিস্তাৰিত হওক বুলি উল্লেখ কৰি 'সংস্কৃতিয়ে যেতিয়া বিশ্বমঞ্চত সন্মান লাভ কৰে, তেতিয়া কেৱল এটুকুৰা ভূমিয়েই গৌৰৱান্বিত নহয়, গৌৰৱান্বিত হয় সমগ্ৰ মানৱ সভ্যতা' বুলিও পত্ৰখনত উল্লেখ কৰে। অভিনন্দন প্ৰদান কৰা অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱাকে প্ৰমুখ্য কৰি আন কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

